# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-03-2025
**Time:** 1340 Hrs

## *Assamese Midday Bulletin*
## *Headlines*
**- - - - - - - - - - - - - -**

১। নিৰ্বাচন আয়োগৰ উদ্যোগত নতুন দিল্লীত আজিৰে পৰা দুদিনীয়াকৈ ১ লাখৰো অধিক বুথ পৰ্যায়ৰ বিষয়া, বি এল অ'ৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হৈছে।

২। খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয় যে খাদ্যত ভেজালকৰণৰ অভিযোগৰ ক্ষেত্ৰত চৰকাৰে কঠোৰ আৰু খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

৩। দক্ষিণ কোৰিয়াৰ বনজুইত কমেও ১৮জন লোক নিহত হোৱাৰ লগতে আন ১৯জন লোক আহত হৈছে।

৪। প্ৰাক্তন কেবিনেট সচিব ৰাজীৱ গৌবাক নিটি আয়োগৰ পূৰ্ণকালীন সদস্য হিচাপে নিযুক্তি দিয়া হৈছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটীৰ বৰ্ষাপাৰাত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে আজি ৰিয়ান পৰাগৰ নেতৃত্বত হ'বলগীয়া ৰাজস্থান ৰয়েলছৰ খেলখনলৈ অসমৰ দৰ্শকে আগ্ৰহেৰে অপেক্ষা কৰিছে।

০০০০০

নিৰ্বাচন আয়োগৰ উদ্যোগত আজি নতুন দিল্লীত প্ৰথমবাৰৰ বাবে ১ লাখৰো অধিক বুথ পৰ্যায়ৰ বিষয়া, বি এল অ'ৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হৈছে। ৰাজধানী মহানগৰীখনৰ ভাৰত আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন ব্যৱস্থাপনা প্ৰতিষ্ঠান, আই আই আই ডি ই এমত এই প্ৰশিক্ষণ অনুষ্ঠিত হয়। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে নিৰ্বাচন আয়ুক্ত ড০ বিবেক যোশীৰ সৈতে এই দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী মুকলি কৰে। অসম, পশ্চিম বংগ আৰু বিহাৰৰ ১০০গৰাকীতকৈও অধিক বি এল অ'ৰ লগতে এই তিনিখন ৰাজ্যৰ উপৰি কেৰালা, পুডুচেৰী আৰু তামিলনাডুৰো ১৩খন জিলাৰ নিৰ্বাচনী বিষয়া আৰু ২৪গৰাকী নিৰ্বাচনী পঞ্জীয়ন বিষয়াই ইয়াত অংশগ্ৰহণ কৰিছে।

০০০০০

খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয় যে খাদ্যত ভেজালকৰণৰ অভিযোগৰ ক্ষেত্ৰত চৰকাৰে কঠোৰ আৰু খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰি আহিছে। লোকসভাত আজি কেইটামান পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে খাদ্যত ভেজালকৰণ সন্দৰ্ভত অভিযোগ পালে চৰকাৰে লগে লগেই এই বিষয়ে অনুসন্ধানৰ

ব্যৱস্থা কৰে আৰু কোনো খাদ্যসামগ্ৰী জনসাধাৰণৰ সেৱনৰ বাবে অনুপযোগী বিবেচিত হ'লে তেনে অপৰাধমূলক কাৰ্য হিচাপে গণ্য কৰি এনে ঘটনাৰ বিৰুদ্ধে তাৎক্ষণিকভাৱে কাৰ্যব্যৱস্থা গ্ৰহণ কৰে।

খাদ্যসামগ্ৰী পৰীক্ষণৰ বাবে সমগ্ৰ দেশতে ২৪২টা FSSI পৰীক্ষাগাৰ আৰু বহুসংখ্যক ভ্ৰাম্যমান খাদ্য পৰীক্ষাগাৰকে ধৰি ভালেমান কাৰ্যব্যৱস্থা কাৰ্যকৰী হৈ আছে বুলি শ্ৰীযোশীয়ে প্ৰকাশ কৰে। জনসাধাৰণক খাদ্যৰ ভেজালকৰণ সন্দৰ্ভত সজাগ কৰি তোলাৰ উদ্দেশ্যে চৰকাৰে ব্যাপক হাৰত সামাজিক মাধ্যমৰো সহায় লয় বুলি তেওঁ প্ৰকাশ কৰে। আন এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে উপভোক্তাসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় কনজিউমাৰ হেল্পলাইন গুৰুত্বপূৰণ আহিলা হিচাপে পৰিগণিত হৈছে।

০০০০০

দক্ষিণ কোৰিয়াৰ বনজুয়ে দেশখনৰ দক্ষিণ-পূব প্ৰান্তত বিধবংসী ৰূপ ধাৰণ কৰিছে। বনজুইৰ ফলত কমেও ১৮জন লোকৰ প্ৰাণহানি হোৱাৰ লগতে আন ১৯জন লোক আহত হৈছে। দেশখনৰ গৃহ আৰু নিৰাপত্তা মন্ত্ৰালয়ে জনোৱা অনুসৰি এতিয়ালৈকে ২৩ হাজাৰৰো অধিক লোকক সুৰক্ষিত স্থানলৈ আঁতৰাই নিয়া হৈছে। মন্ত্ৰালয়ে জনোৱা অনুসৰি প্ৰৱল বতাহ বলি থকাৰ পৰিপ্ৰেক্ষিতত বনজুইৰ প্ৰকোপ বৃদ্ধি পাইছে আৰু শতাধিক ভৱন ক্ষতিগ্ৰস্ত হৈছে। ১৩০০ বছৰ পুৰণি এটা বৌদ্ধ মঠকে ধৰি ভালেমান সাংস্কৃতিক ঐতিহ্যক্ষেত্ৰও বনজুইৰ ফলত বেয়াকৈ প্ৰভাৱিত হৈছে।

০০০০০

তুৰস্কৰ ৰাষ্ট্ৰপতি ৰেশ্বিপ টায়িপ এৰ্ড'ৱানৰ প্ৰধান ৰাজনৈতিক প্ৰতিদ্বন্দ্বীগৰাকীক গ্ৰেপ্তাৰ কৰাৰ পৰিপ্ৰেক্ষিতত দেশখনৰ ৰাজধানী ইষ্টানবুলত কালিও হাজাৰ হাজাৰ লোকে প্ৰতিবাদ অব্যাহত ৰাখে। বৰ্তমানলৈ ছাত্ৰ-ছাত্ৰী, সাংবাদিক আৰু অধিবক্তাকে ধৰি প্ৰতিবাদকাৰীসকলৰ মাজৰ এহেজাৰ ৪০০গৰাকীতকৈও অধিক লোকক আটক কৰা হৈছে। ইষ্টানবুল প্ৰশাসনে ৰাজহুৱা শান্তি-শৃংখলা ৰক্ষা তথা সম্ভাব্য প্ৰৰোচনামূলক পৰিস্থিতি প্ৰতিহত কৰাৰ স্বাৰ্থত সকলো ধৰণৰ প্ৰতিবাদ নিষিদ্ধ কৰাৰ লগতে একাংশ পথ বন্ধ কৰি দিছে। ছাত্ৰ-ছাত্ৰীসকলে নিছাণ্টাছি জিলাৰ ৰাজপথেৰে সমদল কৰি চৰকাৰক পদত্যাগ কৰিবলৈ দাবী জনায়।

নেতাগৰাকীক গ্ৰেপ্তাৰৰ প্ৰতিবাদত তুৰস্কৰ প্ৰধান বিৰোধী দল ৰিপাব্লিকান পিপ্‌লছ পাৰ্টীয়ে অহা শনিবাৰে মহানগৰীখনত এখন সমাবেশৰ আয়োজন কৰাৰ লগতে নিৰ্বাচনৰ বাবে দাবী জনাব বুলি প্ৰকাশ কৰিছে। এনে পৰিস্থিতিৰ মাজতে সংবাদ প্ৰতিষ্ঠান এ এফ ইৰ ফটোগ্ৰাফাৰ য়াছিন আকগুলকে ধৰি প্ৰতিবাদী কাৰ্যসূচীৰ সংবাদ পৰিবেশন কৰা সাতগৰাকী সাংবাদিক আদালতত হাজিৰ হয়। আনহাতে এ এফ ইৰ অধ্যক্ষগৰাকীয়ে প্ৰতিষ্ঠানটোৰ সাংবাদিকগৰাকীক গ্ৰেপ্তাৰ কৰা কাৰ্যৰ বিৰোধিতা কৰি এই সন্দৰ্ভত ৰাষ্ট্ৰপতিৰ কাৰ্যালয়লৈ এখন পত্ৰ প্ৰেৰণ কৰাৰ লগতে বিষয়টোত ৰাষ্ট্ৰপতি এৰ্ড'ৱানৰ হস্তক্ষেপৰ বাবে আহ্বান জনায়।

উল্লেখযোগ্য যে দেশখনৰ ৰাষ্ট্ৰপতি ৰেশ্বিপ টায়িপ এৰ্ড'ৱানৰ প্ৰধান ৰাজনৈতিক প্ৰতিদ্বন্দ্বী হিচাপে বিবেচিত ইষ্টানবুলৰ মেয়ৰ ইক্ৰেম ইমামোগ্লুক যোৱা সপ্তাহত দুৰ্নীতিৰ অভিযোগত গ্ৰেপ্তাৰ কৰাৰ পাছতেই দেশখনত অস্থিৰতাৰ উদ্ভৱ হয়। সোঁপন্থী ৰাজনৈতিক দলসমূহৰ লগতে ৰাষ্ট্ৰসংঘইও তেওঁৰ গ্ৰেপ্তাৰক গৰিহণা দিয়াৰ লগতে প্ৰতিবাদকাৰীসকলৰ বিৰুদ্ধে সশস্ত্ৰ বাহিনী নিয়োগ কৰা কাৰ্যৰ বিৰোধিতা কৰিছে।

০০০০০

প্ৰাক্তন কেবিনেট সচিব ৰাজীৱ গৌবাক নিটি আয়োগৰ পূৰ্ণকালীন সদস্য হিচাপে নিযুক্তি দিয়া হৈছে। ঝাৰখণ্ড কেডাৰৰ ১৯৮২ বৰ্ষৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া শ্ৰীগৌবাই ২০১৯ চনৰ পৰা ২০২৪ৰ আগষ্টলৈকে দেশৰ শীৰ্ষ আমোলা হিচাপে সেৱা আগবঢ়াইছিল। পূৰ্বে কেন্দ্ৰীয় গৃহ সচিব, নগৰ উন্নয়ন মন্ত্ৰালয়ৰ সচিব আৰু ঝাৰখণ্ডৰ মুখ্য সচিব হিচাপেও কাৰ্যনিৰ্বাহ কৰা গৌবাই ক'ভিড-১৯ৰ পিছত ভাৰতৰ অৰ্থনৈতিক পুনৰুদ্ধাৰ কৌশলকে ধৰি দেশৰ বিভিন্ন গুৰুত্বপূৰ্ণ নীতি সন্দৰ্ভত সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

ooooo

ছত্তিশগড়ৰ চুকমা জিলাত আজি ৯জন মাওবাদীয়ে আত্মসমৰ্পন কৰে। তেওঁলোকৰ ভিতৰত ছগৰাকী মহিলা মাওবাদীও আছে। আত্মসমৰ্পণ কৰা মাওবাদী কেইজন কেইবাটাও গুৰুতৰ ঘটনাৰ সৈতে জড়িত আছিল। মাওবাদী কেইজনক ধৰাই দিব পাৰিলে ২৬ লাখ টকাৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব বুলি ইতিপূৰ্বে ঘোষণা কৰা হৈছিল।

ooooo

মেঘালয় চৰকাৰৰ উদ্যোগত তথা ভাৰতীয় চেম্বাৰ অৱ কমাৰ্চৰ সহযোগত শ্বিলঙৰ ৰাজ্যিক অভিৰ্ৰতন কেন্দ্ৰত কালিৰে পৰা **সপ্তম এক্ট-ইষ্ট বাণিজ্য প্ৰদৰ্শনী**ৰ অনুষ্ঠিত হৈছে। তিনিদিনীয়াকৈ আয়োজিত এই প্ৰদৰ্শনীৰ জৰিয়তে প্ৰযুক্তি, কৃষি, নিৰ্মাণ আৰু পৰ্যটনৰ দৰে উল্লেখযোগ্য খণ্ডসমূহত গুৰুত্ব আৰোপ কৰি বি বি আই এন অৰ্থাৎ বাংলাদেশ-ভূটান-ভাৰত-নেপাল আৰু আছিয়ান ৰাষ্ট্ৰসমূহৰ মাজত অৰ্থনৈতিক আৰু বাণিজ্যিক সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। প্ৰদৰ্শনীত ফিলিপাইনছ, জাৰ্মানী, ইণ্ডোনেছিয়া, কম্বোডিয়া, সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ, জাপান, বাংলাদেশ, ভূটান আৰু নেপালে অংশগ্ৰহণ কৰিছে। **সপ্তম এক্ট-ইষ্ট বাণিজ্য প্ৰদৰ্শনী**য়ে বাণিজ্য, বিনিয়োগ আৰু সীমান্ত অঞ্চলৰ সহযোগিতাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি মেঘালয়ক দেশৰ ভিতৰতে আগশাৰীৰ বিনিয়োগ কেন্দ্ৰ হিচাপে গঢ়ি তোলাত সহায় কৰিব বুলি আশা কৰা হৈছে।

ooooo

ভাৰতীয় জনতা পাৰ্টীৰ সংখ্যালঘু মৰ্চাই ছৌগাত-এ-মোদী শীৰ্ষক এটা অভিযান আৰম্ভ কৰিছে। ঈদৰ পূৰ্বে সমগ্ৰ দেশৰে অনগ্ৰসৰ ৩২ লাখ মুছলমান পৰিয়ালক বিশেষ উপহাৰৰ টোপোলা বিতৰণ কৰাৰ লক্ষ্যৰে এই অভিযান আৰম্ভ কৰা হৈছে। অৱহেলিত মুছলমান পৰিয়ালসমূহে যাতে কোনো অসুবিধা নোহোৱাকৈ উৎসৱ উদযাপন কৰিব পাৰে তাক সুনিশ্চিত কৰাই এই অভিযানৰ মূল উদ্দেশ্য। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ সংখ্যালঘু মৰ্চাৰ জামাল ছিদ্দিকে কয় যে পৱিত্ৰ ৰমজান মাহৰ লগতে সমাগত ঈদ, গুড ফ্ৰাইডে, ইষ্টাৰ, বৈশাখী, নৱৰোজ আৰু নতুন বছৰৰ সময়ছোৱাত সংখ্যালঘু মৰ্চাই এই অভিযানৰ জৰিয়তে দুখীয়া লোকসকলৰ কাষ চপাৰ প্ৰয়াস কৰিব। তেওঁ কয় যে এই অভিযানৰ অংশ হিচাপে ৩২ হাজাৰ সংখ্যালঘু মৰ্চা কৰ্মীয়ে ৰাষ্ট্ৰজুৰি ৩২ হাজাৰ মছজিদৰ সৈতে সহযোগিতাৰে কাম কৰিব। কালি বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক আৰু সংখ্যালঘু মৰ্চাৰ দায়িত্বাহী নেতা দুষ্যন্ত কুমাৰ গৌতমে ছোগাত-এ-মোদী অভিযানৰ জৰিয়তে ৰাষ্ট্ৰীয় ৰাজধানী হজৰত নিজামুদ্দিন এলেকাত এই বিশেষ উপহাৰৰ টোপোলা বিতৰণ কৰে। এই কাৰ্যসূচীত বিজেপিৰ সংখ্যালঘু মৰ্চাৰ ৰাষ্ট্ৰীয় অধ্যক্ষ শ্ৰীছিদ্দিকীয়ে তেওঁক সংগ দিয়ে।

ooooo

আই পি এল ক্রিকেট প্ৰতিযোগিতাৰ গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্রিকেট সন্থাৰ ষ্টেডিয়ামত আজি ৰিয়ান পৰাগৰ নেতৃত্বত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ২৩ বছৰীয়া ক্রিকেটাৰ ৰিয়ান পৰাগৰ গৃহ ৰাজ্যত খেল প্ৰদৰ্শন উপভোগ কৰিবলৈ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। তদুপৰি যুৱ ক্রিকেটপ্ৰেমীসকলে সঞ্জু ছেমচন, ধ্ৰুৱ জুৰেল, চিমৰণ হেটমায়াৰ, যশস্বী জয়ছৱালৰ উপৰি কলকাতা নাইট ৰাইডাৰ্ছৰ আজিংক্য ৰাহানে, ৰিংকু সিং, আন্দ্ৰে ৰাছেল, ভেংকটেশ আয়াৰ, বৰুণ চক্রৱর্তী আদিকে ধৰি প্ৰিয় তাৰকাসকলৰ খেল উপভোগ কৰিবলৈ আগ্ৰহেৰে অপেক্ষা কৰিছে।

আজিৰ খেলখনৰ পৰিপ্ৰেক্ষিতত যান-বাহন আৰক্ষীয়ে গুৱাহাটী মহানগৰত কেতবোৰ পথৰ যাতায়াতৰ ক্ষেত্ৰত কিছু সালসলনি কৰিছে। সেই অনুসৰি দিনৰ ২ বজাৰ পৰা নিশা ১২ বজালৈ জি এছ ৰোড, বি কে কাকতি ৰোড, এ কে আজাদ ৰোড, এ কে দেৱ ৰোড, কুল বসুমতাৰী ৰোড, ড০ ভূপেন হাজৰিকা পথ, মৰাভৰলু পথ, এফ এ ৰোড, ধুপলীয়া ৰোড, বিষ্ণুপুৰ ৰোড, বিৰুবাৰী-জি এম চি ৰোড আৰু কাহিলীপাৰা ৰোডত বাণিজ্যিক বাহন আৰু লেহেমীয়া গতিৰ বাহনৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। আনহাতে, বিয়লি চাৰে চাৰি বজাৰ পাছত লালগণেশ তিনিআলিৰ পৰা চাইকেল ফেক্টৰী তিনিআলিলৈ কাৰ পাছ থকা বাহনকহে চলাচলৰ অনুমতি দিয়া হ'ব।

প্ৰতিযোগিতাত একেখন ষ্টেডিয়ামতে অহা ৩০ মাৰ্চত হ'বলগীয়া আন এখন খেলত ৰাজস্থানৰ ৰয়েলছ দলটো চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত